জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৫০/২০২৩**

# জল জীৱন মিছন ৰূপায়ণ সন্দৰ্ভত ঠিকাদাৰ আৰু তৃতীয় পক্ষ নিৰীক্ষণ সংস্থাৰ প্ৰতিনিধিৰ সৈতে মুখ্যমন্ত্ৰীৰ বৈঠক

## সময় নিৰ্দ্ধাৰিতভাৱে কাম সম্পূৰ্ণ কৰিব নোৱাৰা ঠিকাদাৰক প্ৰতিটো বিভাগৰ বাবে ব্লেকলিষ্টেড কৰা হ'ব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৫ মাৰ্চ ঃ** কেন্দ্ৰীয় চৰকাৰৰ ধ্বজাবাহী আঁচনি 'জলজীৱন মিছন' ৰূপায়ণ সন্দৰ্ভত ঠিকাদাৰ আৰু তৃতীয় পক্ষ নিৰীক্ষণ সংস্থা আদিৰ প্ৰতিনিধিৰ সৈতে আজি গুৱাহাটীৰ মাছখোৱাস্থিত প্ৰাগজ্যোতি আই টি এ সাংস্কৃতিক প্ৰকল্পত অনুষ্ঠিত হোৱা এক পৰ্যালোচনামূলক বৈঠকত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে।

বৈঠকত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গ্ৰামাঞ্চলৰ প্ৰতিটো পৰিয়ালকে নলযোগে বিশুদ্ধ খোৱাপানী যোগানৰ বাবে জলজীৱন মিছন আঁচনিৰ শুভাৰম্ভ কৰিছে। অসমতো এই আঁচনিখন সফল ৰূপায়ণৰ বাবে ৰাজ্য চৰকাৰে দায়বদ্ধতাৰে আগবাঢ়িছে। জলজীৱন মিছন আঁচনিখন ২০২৪ চনৰ ৩১ মাৰ্চত সামৰণি পৰিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই আঁচনিখন ২০২৩ চনৰ ডিচেম্বৰৰ মাহৰত ভিতৰত শেষ কৰাৰ বাবে এক পৰিকল্পনা গ্ৰহণ কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে অহা ১৫ দিনৰ ভিতৰত ঠিকাদাৰসকলে কাম-কাজৰ পাৰদৰ্শিতা সুনিশ্চিত কৰিব লাগিব, নহ'লে কাম এৰি দিব লাগিব। সময়নিৰ্দ্ধাৰিতভাৱে কাম সম্পূৰ্ণ কৰাৰ বাবে নিজস্ব পৰিকল্পনা প্ৰস্তুত কৰাৰ ওপৰতো মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে। মুখ্যমন্ত্ৰীয়ে সময়মতে কাম সম্পূৰ্ণ কৰাৰ লগতে গুণগত মানসম্পন্ন কাম সুনিশ্চিত কৰিবলৈও ঠিকাদাৰসকলক কয়। ভাল কাম কৰি আদৰ্শ দেখুৱাবলৈ আহ্বান জনাই মুখ্যমন্ত্ৰীয়ে কয় যে তৃতীয় পক্ষৰ নিৰীক্ষকসকলেও নিৰ্মাণস্থলীলৈ গৈ সকলো দিশ পৰ্যবেক্ষণ কৰিব লাগিব।

মুখ্যমন্ত্ৰীয়ে কয় যে পৰৱৰ্তী পৰ্যায়ত এনেধৰণৰ আৰু পৰ্যালোচনামূলক বৈঠক অনুষ্ঠিত কৰা হ'ব। পাৰদৰ্শিতা দেখুওৱা কৰ্মৰ ভিত্তিতহে সুকীয়া সুকীয়াভাৱে পৰ্যালোচনা বৈঠকলৈ মতা হ'ব। আজিৰ যুগৰ কৰ্মপদ্ধতি পেছাদাৰিত্বৰে আগবাঢ়িছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে তেনে পেছাদাৰী মনোভাৱেৰে কাম সম্পূৰ্ণ কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে যিসকল ঠিকাদাৰে সময় নিৰ্দ্ধাৰিত আৰু গুণগত মানসম্পন্ন কাম কৰিব নোৱাৰে সেই সকল ঠিকাদাৰক ব্লেকলিষ্টেড কৰা হ'ব আৰু এইসকল ঠিকাদাৰক প্ৰতিটো বিভাগৰ বাবে ব্লেকলিষ্টেড বুলি ঘোষণা কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে আঁচনিখন ৰূপায়ণৰ দিশত কোনো অভিযন্তা বা শীৰ্ষ বিষয়াই বিধিপথালি দিলে সেই দিশতো ৰাজ্য চৰকাৰে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিব।

আজিৰ এই অনুষ্ঠানত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিব চৈয়দ্দিন আব্বাচী, জল জীৱন মিছনৰ মিছন সঞ্চালক কৈলাশ কাৰ্তিক এন প্ৰমুখ্যে শীৰ্ষ-বিষয়াসকল উপস্থিত থাকে।

**হেঃশঃ**
**২৫/৩/২০২৩**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in